(খ) ত্ৰিপদী ছন্দৰীতিৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা।

(গ) পদছন্দ বুলিলে কি বুজা? অসমীয়া প্ৰাচীন কবিতাত ইয়াৰ প্ৰয়োগ কিদৰে হৈছে, উদাহৰণসহ আলোচনা কৰা।

(ঘ) "শব্দৰ বিন্যাস প্ৰকাৰৰ ফলত ওপজা সৌন্দৰ্যই ছন্দ।" কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰি এটি আলোচনা যুগুত কৰা।

(ঙ) অলংকাৰ বুলিলে কি বুজা? কাব্যত অলংকাৰৰ স্থান সম্পৰ্কে কেইজনমান আলংকাৰিকৰ অভিমত বিচাৰ কৰি এটি আলোচনা যুগুত কৰা।

(চ) কাব্যত অলংকাৰে কি কি প্ৰয়োজন সাধন কৰে, আলোচনা কৰা।

(ছ) শব্দালংকাৰ কাক বোলে? দুবিধ শব্দালংকাৰৰ বিষয়ে আলোচনা কৰা।

(জ) উপমা অলংকাৰৰ বিষয়ে সকলো দিশ সামৰি এটি আলোচনা যুগুত কৰা।

(ঝ) 'শ্লেষ' আৰু 'পুনৰুক্তিবদাভাস' অলংকাৰ দুবিধৰ উদাহৰণসহ আলোচনা কৰা।

(ঞ) "অলংকাৰৰ মূল অত্যুক্তি আৰু বক্ৰোক্তি।" কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

★★★





**2022**

# ASSAMESE

Paper : ASM–RG–6016

**( Chanda Aru Alankar )**

( Regular Generic )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ যি কোনো দহটা প্ৰশ্নৰ অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) ছন্দৰ মূল কথা কি?

(খ) অক্ষৰ বুলিলে কি বুজা?

(গ) অনুস্বৰ বিসৰ্গযুক্ত অক্ষৰৰ উচ্চাৰণকাল কিমান মাত্ৰিক?

(ঘ) ছন্দৰ তাল বুলি কাক কোৱা হয়?

(ঙ) অসমীয়া পুৰণি সাহিত্যত কোনবিধ ছন্দক ৰজাছন্দ বুলি কোৱা হয়?

(চ) বিহুনাম, আইনাম আদিত কোনবিধ ছন্দৰ প্ৰচলন সবাতকৈ বেছি?

(ছ) ঝুমুৰী ছন্দৰ প্ৰত্যেক চৰণত কেইটাকৈ আখৰ থাকে?

(জ) শংকৰদেৱৰ 'গুণমালা' কাব্যপুথিখন কি ছন্দত ৰচনা কৰা ?

(ঝ) বিখ্যাত আলংকাৰিক ৰাজাণক ৰুয্যকে ৰচনা কৰা অলংকাৰ-বিষয়ক গ্ৰন্থখনৰ নাম কি ?

(ঞ) "মোহদানন্দ কন্দ পৰমানন্দ নন্দ নন্দন বনচাৰী।" ইয়াত কি অলংকাৰ প্ৰয়োগ হৈছে ?

(ট) অলংকাৰশাস্ত্ৰৰ প্ৰথম আচাৰ্য বুলি কাক কোৱা হয় ?

(ঠ) দুটা বা তাতকৈ বেছি অৰ্থ একেটা শব্দত লগলাগি থকা অলংকাৰবিধৰ নাম কি ?

(ড) সাধাৰণজনে নেদেখা অথচ কবিয়ে দেখা সত্য দৰ্শনটোক অলংকাৰশাস্ত্ৰত কি দৰ্শন বুলি কোৱা হয় ?

(ঢ) কোৱাকে কোৱাৰ নিচিনা যেন লগা অলংকাৰক কি অলংকাৰ বুলি কোৱা হয় ?

(ণ) কোনগৰাকী আলংকাৰিকে বক্ৰোক্তিক কাব্য-জীৱন বুলি কৈছে ?

২। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) মাত্ৰা বুলিলে কি বুজা ?

(খ) "ভৈলাহা পৰশুৰাম নামে অৱতাৰ।" পদছন্দ অনুসৰি কোন পদৰ পিছত অৰ্দ্ধযতি আৰু কোন পদৰ পিছত পূৰ্ণযতি ব্যৱহাৰ হ'ব ?

(গ) কাব্যত অলংকাৰৰ অপৰিহাৰ্যত্ব স্বীকাৰ কৰা দুগৰাকী আলংকাৰিকৰ নাম লিখা।





(ঘ) ছবি ছন্দ কেইটা চৰণত সম্পূৰ্ণ হয় ? ইয়াৰ কোন কোন চৰণ মিলিতান্ত কৰা হয় ?

(ঙ) ঝুনা, ঝুমুৰী আৰু কুসুমমালা ছন্দক কিয় সমছন্দ বুলি কোৱা হয় ?

(চ) 'যমক' অলংকাৰৰ দুটা বৈশিষ্ট্য লিখা।

(ছ) 'বক্ৰোক্তি' অলংকাৰৰ সংজ্ঞা দিয়া।

(জ) 'পদুমৰ নিচিনা মুখ' আৰু 'তেওঁৰ মুখেই পদুম' কথা দুশাৰীত ক্ৰমে কি কি অলংকাৰ প্ৰয়োগ হৈছে ?

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) লয়

(খ) ভ্ৰান্তিমান

(গ) ঝুমুৰী ছন্দ

(ঘ) কুসুমমালা ছন্দ

(ঙ) অলংকাৰ শব্দৰ ব্যুৎপত্তি

(চ) অনুপ্ৰাস অলংকাৰ

(ছ) ৰূপক অলংকাৰ

(জ) ব্যাজস্তুতি অলংকাৰ

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) মুক্তক ছন্দ বুলিলে কি বুজা ? উদাহৰণসহ মুক্তক ছন্দৰ বিষয়ে বহলাই আলোচনা কৰা।